(iii) অনুবাদিত শব্দ (অনূদিত, পৰিৱেশিক)

(I) ভাৰতীয় ভাষাৰ পৰা অহা শব্দঃ অন্যান্য ভাৰতীয় ভাষাৰ পৰাও ভালেমান শব্দ আহি অসমীয়াত প্ৰৱেশ কৰিছে। বিভিন্ন কাৰণত অসমীয়া ভাষাৰ লগত অন্যান্য ভাষাৰ মিলামিচা হৈছে। অসমৰ অসমীয়া ভাষী অঞ্চলত সেইবোৰ ভাষাৰ মানুহ বাস কৰিবলৈ অহাত বহুতো শব্দ অসমীয়ালৈ আমদানি হৈছে। তাৰ ভিতৰত বিশেষকৈ বঙলা ভাষা, হিন্দী ভাষা, মাৰাঠী, গুজৰাটী আদি ভাষাত শব্দ সৰহ।

(ক) বঙলা বা বাংলা ভাষাৰ পৰা অহা শব্দঃ বিভিন্ন কাৰণত বঙলা ভাষাৰ পৰিৱেশিক শব্দই অসমীয়া ভাষাত যোগানি লুকিছিল। তেনে শব্দৰ ভিতৰত - খেজুৰ, কোলেকাৰী, গাড্ডা, কুৰি, কড়ি, সব, সৰ্বহাৰা, বানান, ৰসগোল্লা, জলপান, বাতাচা, সন্দেশ ইত্যাদি।

(খ) হিন্দী ভাষাৰ পৰা অহা শব্দঃ বিহাৰ, উত্তৰ-প্ৰদেশ, ৰাজস্থান, পঞ্জাব আদিৰ পৰা কৰ্মসংস্থানৰ বাবে অহা বিভিন্ন লোকৰ যোগেদি ভালেমান হিন্দী শব্দ অসমীয়া ভাষাত প্ৰৱেশ কৰিছে। তেনে শব্দৰ ভিতৰত - কাগজৱালা, মিলিপান, খদ্দা, গোলা, হুমটি, গোল, গৰুৰ, ঘুঘনি, দেখাও, চাৰ্বা, জাহিদ, টুপি, ঠিক, ঠিকা, ডকাইট, বুটি, খৰ্ণৰ, কান্দা, পাংখা, পকোৰা, ফালতু, মিঠাই, সস্তা, পানৱালা, ঠেলাৱালা, চানাৱালা ইত্যাদি।

(গ) মাৰাঠী ভাষাৰ পৰা অহা শব্দঃ ড° কাকতিয়ে মাৰাঠী ভাষাৰ লগত সাদৃশ্যৰ ভিত্তিত উক্ত ভাষাৰ পৰা

অসমীয়া ভাষালৈ অহা কেইটামান শব্দৰ কথা উল্লেখ কৰিছে। এনে শব্দৰ ভিতৰত - গাওবুঢ়া, বৰভনি, ডাওৰন, বেজী, জকৰা, খাৰনি, মন্তাচোৰ আদি উল্লেখ কৰিব পাৰি।

ঠিক তেনেদৰে পাঞ্জাবীৰ পৰা অহা শব্দ - গুৰুদ্বাৰ শিখ। গুজৰাটীৰ পৰা অহা শব্দ - হৰতাল আদি অনেক শব্দ ভাৰতৰ বিভিন্ন ভাষাৰ পৰা অসমীয়া ভাষাত আহি প্ৰৱেশ কৰি ব্যৱহৃত হৈ আছে।

(ii) বিদেশী ভাষাৰ শব্দ // ভাৰতৰ বাহিৰৰ ভাষাৰ শব্দঃ

ভাৰতৰ বাহিৰৰ বিভিন্ন ভাষাৰ পৰাও বিভিন্ন শব্দাৱলী আহি অসমীয়া ভাষাত প্ৰৱেশ কৰিছে। বিদেশী শব্দ সমূহক দুই ভাগত ভগাব পাৰি —

(ক) ইংৰাজী সহ অন্যান্য ইউৰোপীয় শব্দ

(খ) ফাৰ্চীৰ জৰিয়তে অহা ফাৰ্চী, আৰবী, তুৰ্কী, পৰ্তুগীজ আদি বিভিন্ন ভাষাৰ শব্দ।

(ক) ইংৰাজী সহ অন্যান্য ইউৰোপীয় শব্দঃ ১৮২৬ চনৰ ইয়াণ্ডাবু সন্ধিৰ চৰ্ত অনুসৰি অসম ইংৰাজ প্ৰশাসনৰ অধীন হয় আৰু তেতিয়াৰ পৰাই ইংৰাজী ভাষাৰ লগতে অন্যান্য ইউৰোপীয় ভাষাৰ শব্দ কিছুমান অসমীয়া ভাষাৰ শব্দভঁৰালত সন্নিবিষ্ট হয়। বিশেষকৈ ইংৰাজীৰ লগতে ওলন্দাজ, ফৰাচী, স্পেনীয়, জাৰ্মান, ইটালী, চীনা, ৰাছিয়ান, জাপানীজ আদি ভাষাৰ শব্দ কম-বেচি পৰিমাণে অসমীয়া শব্দ ভঁৰালত সংযোজিত হৈ অসমীয়া ভাষা চহকী হৈছে।

ইংৰাজী শব্দ সম্ভাৰে অসমীয়ালৈ লোৱা ইংৰাজী শব্দ সমূহক এনেদৰে ভাগ কৰিব পাৰি ঃ

শাসন সম্বন্ধীয় শব্দঃ অফিচ, কৰ্ট, ফাইল, মিনিষ্টাৰ, পুলিচ, গৱৰ্ণমেণ্ট, চাৰ, কমিচনাৰ আদি।

সাহিত্য সংস্কৃতি -ক্ৰীড়ামূলক শব্দঃ ট্ৰেজেডি, কমেডি, ষ্টাইল, হাৰমনিয়াম, ফুটবল, ক্ৰিকেট আদি

শিক্ষা বিষয়ক শব্দঃ স্কুল, কলেজ, লাইব্ৰেৰী, প্ৰিন্সিপাল, পেঞ্চিল, বৰ্ড, মেপ, বি.এ, এম.এ আদি।

চিকিৎসা বিষয়ক শব্দঃ ডাক্তৰ, ফাৰ্মাচী, এক্স-ৰে, কলেৰা, মেডিচিন, চাৰ্জন, হস্পিটেল আদি।

সাজ-পোচাক বিষয়ক শব্দঃ চুৱেটাৰ, কোট, পেণ্ট, টাৱেল, জেকেট, ব্লাউজ, মেক্সি, টাই আদি।

নামবাচক শব্দঃ লিলি, মেৰী, কুইন, ৰিটা, ৰোজী, জন, জুৱেল, আৰ্চিমাৰ্চ, প্ৰিন্স, বব, আদি।

যান-বাহন মূলক শব্দঃ বাচ, চাইকেল, অটো, টেক্সি, স্কুটাৰ, ষ্টেচন, এৰোপ্লেন, ট্ৰেইন, ইত্যাদি।

অন্যান্য বিদেশী ভাষাৰ শব্দঃ

ওলন্দাজৰ পৰা অহা শব্দঃ তাচপাত, হৰতন, ৰুহিতন, ইস্কাবন আদি।

ফৰাচীৰ পৰা অহা শব্দঃ বিস্কুট, কুপন, কাৰ্টিজ, পিকনিক, ফিৰিংগি, মেনু আদি

জাপানীয় শব্দঃ টিপাৰেট

জাৰ্মানৰ পৰা অহা শব্দঃ ট্ৰেন,

ইটালীৰ পৰা অহা শব্দঃ লটাৰী

চীনৰ পৰা অহা শব্দ : চাহ, চেনী, লুচী ইত্যাদি।
ৰাচিয়ান শব্দ : জাৰ, স্পুটনিক, চোভিয়েট আদি।
জাপানী শব্দ : চামুৰাই, ৰিক্সা, হাৰাকিৰি আদি।

(খ) ফাৰ্চীৰ জৰিয়তে অহা ফাৰ্চী শব্দৰ ~~অৰ্থ~~ বেলেগ বিলাক অসমীয়া ভাষাত সোমাইছে; সেইবোৰ হ'ল — আইনা, কাগজ, মালিক, খ্ৰীষ্ট, আইন, কানুন, আদালত, কাৰখানা, জখম, মোকদ্দমা, উকীল, গোলাপ, বন্দুক, কাগিচা, দৰ্জী, দোকান আদি।
পৰ্তুগীজৰ পৰা অহা শব্দ : আলমিৰা, আনাৰস, কেৰানী, ফিটা, ক্ৰুছ, চাবোন, ফটকা, কাৰ্টুজ, বিস্কুট, বটল, বোমা, মিস্ত্ৰি, যীশু, আলকাতৰা, আলমাৰি আদি।
আৰবীৰ পৰা অহা শব্দ : দোৱাত, খাজনা, খতম, কিতাপ, কলম, হাকিম, তাবিজ, মুৰব্বী, মহৰী, হজম, হাৰামী, বেইমান, হাৰামজাদা, ঈদ, কোৰান, লেফাফা, চয়তান, দৰখাস্ত, নাৰাজ, চাকা, গুদাম, গীৰ্জা, আদি।
তুৰ্কীৰ পৰা অহা শব্দ : লাচ, বেগম, বিবি, চাকু, কাবু, বাবু, দাৰোগা, কেঁচি, বাহাদুৰ, বাৰুদ, খাতুন, খাঁ, ~~ল~~ বাবুৰ্চি, আচুৰ, উৰ্দু, ইত্যাদি।

(iii) অনুবাদিত শব্দ (অনূদিত, পাৰিভাষিক) : ইংৰাজী ভাষাৰ পৰা পোনে পোনে ব্যৱহাৰ নকৰি তেনে শব্দৰ লগত সংগতি ৰাখি একো-একোটা নতুন শব্দ সৃষ্টি কৰা প্ৰচেষ্টা অসমীয়া সাহিত্যত চলি আছে। যেনে : মাজুলি, ঘৰকটকী,

সহায় (assistance), বেজশাল (Hospital), পুথিভঁৰাল (Library), ৰাজসভা (Parliament), পশুঘৰ (zoo) প্ৰদীপ-স্তম্ভ (Hight house), জাহাজ নাও (Steam-boat) বিজুলী-ডাক (Telegram) ইত্যাদি। অসমীয়া ভাষাত এনে বহুত শব্দ অসমীয়া ভাষাত ব্যৱহাৰ হয় —

কলা বজাৰ (Black market); কলা টকা (Black money) দূৰদৰ্শন (Television), মাহেকীয়া (monthly), সোঁহাত (Right hand), হীৰক জয়ন্তী (Dimond Jubillee), মাইলৰ খুঁটি (mile-stone), ৰজত জয়ন্তী (Silver-Jubilee), বাতৰি কাকত (News Paper), কল-কাৰখানা (workshop), উদ্যম শক্তি (Energy), অংক বিদ্যা (Mathamatics), ~~বিজুলী ডাক~~, ব্যয় সংকোচ (Economy), অপ্ৰীতিকৰ (unpleasent), উপনাম নাম (Nick name) ইত্যাদি।

সাৰ্বভাষিক শব্দৰ ভিতৰত প্ৰচলিত শব্দই হিন্দী আৰু বংলা ভাষাৰ মাজেদি অসমীয়াত প্ৰৱেশ কৰিছে। যেনে: অভিযন্তা (Engineer), নিবিদা (Tender), সাৰ্বভৌমত্ব (Sovereignty) আদি

(৪) অশ্ৰেণীভুক্ত শব্দ: অসমীয়া ভাষাত এনে কিছুমান শব্দ আছে, সিবোৰক কোনো এটা শ্ৰেণীত পেলাব নোৱাৰি। এই শ্ৰেণীৰ শব্দক অশ্ৰেণীভুক্ত শব্দৰ তালিকাত স্থান দিয়া হৈছে। তলত অশ্ৰেণীভুক্ত শব্দবোৰক চাৰি উপভাগত ভাগকৰি দেখুৱাব চেষ্টা কৰিছোঁ —

(ক) মিশ্ৰিত শব্দ,
(খ) ধ্বন্যাত্মক শব্দ
(গ) ঘৰুৱা শব্দ
(ঘ) বিভিন্ন উপভাষাৰ শব্দ।

(ক) মিশ্ৰিত শব্দঃ অসমীয়া ভাষাত এনে কিছুমান শব্দ আছে যিবোৰৰ গঠন-প্ৰণালী সম্পূৰ্ণ সুকীয়া। এই শব্দসমূহক মিশ্ৰিত শব্দ বোলে। যেনেঃ

(i) তৎসম শব্দ + বিদেশী প্ৰত্যয় = পণ্ডিত-গিৰি = পণ্ডিতগিৰি
নেতা-গিৰি = নেতাগিৰি

(ii) তদ্ভৱ শব্দ + বিদেশী শব্দঃ পিক-দানি = পিকদানি
ছপা-খানা = ছপাখানা
ছাই-দানি = ছাইদানি

(iii) ভাৰতীয় শব্দ + বিদেশী শব্দঃ মান-ইজ্জত = মান-ইজ্জত
~~টিকট-ঘৰ = টিকটঘৰ~~
লাজ-চৰম = লাজ-চৰম
ধন-দৌলত = ধন-দৌলত

(iv) বিদেশী শব্দ + ভাৰতীয় শব্দঃ হেড-পণ্ডিত = হেড-পণ্ডিত
বাবু-আইন = বাবু-আইন
টিকট-ঘৰ = টিকট ঘৰ

(v) বিদেশী শব্দ + অসমীয়া প্ৰত্যয়ঃ মাষ্টৰ + ঈ = মাষ্টৰী
স্কুল + ইয়া = স্কুলীয়া
মাষ্টৰ + অনী = মাষ্টৰনী

(vi) বিদেশী + বিদেশী শব্দঃ যোগাৰ + ৱালা = যোগাৰৱালা
বে-টাইম = বে-টাইম

(vii) বিদেশী + অসমীয়া শব্দঃ কাজিয়া-পেচাল = কাজিয়া পেচাল

(viii) অসমীয়া + বিদেশী শব্দঃ মেল-মিটিং = মেলমিটিং
লাজ-চৰম = লাজচৰম
মান-ইজ্জত = মানইজ্জত

(ix) ক্ৰিয়াৰ বাবে বিদেশী শব্দ + ক্ৰিয়াপদঃ বাই - বায়
ফাইট - কৰ
ফাউল - কৰ।

(ঙ) ধ্বন্যাত্মক শব্দঃ স্বাভাৱিক ধ্বনিৰ লগত কোনো সম্বন্ধ নথকা স্বত্ত্বেও অসমীয়া ভাষাত কিছুমান শব্দ পোৱা যায়, যিবিলাকে কোনো বস্তুৰ আকৃতি বা বৰণৰ দৃশ্য আমাৰ মানসপটত উঠাই তোলে; যেনেঃ লেউ লেউকীয়া গছ, টিকটিকিয়া ৰঙা, বুকু টিপটিপ কৰা, মিটমিটিয়া, সমসমীয়া আদি শব্দই শাৰীৰিক অৱস্থা আৰু পৰিবেশৰ ধাৰণা জন্মায়। সেইদৰে চিৰচিৰ, জলজল, টকটক, কেক-কেক, সেৰ-সেৰ, হো-হো, ফট-ফট ইত্যাদি কিছুমান ধ্বন্যাত্মক শব্দৰ নিদৰ্শন।

(চ) যুৰীয়া শব্দঃ কোনো ভাব বা কৰ্মৰ ব্যাপকতা, নিশ্চয়তা, পৰিপূৰ্ণতা, আদি বুজাবলৈ সাধাৰণতে যুৰীয়া শব্দ ব্যৱহাৰ কৰা হয়। যেনেঃ মনে মনে, হাতে হাতে, নিজে নিজে, ভালে ভালে, সত্যি সত্যি, জুৰ জুৰ, মাত মাত, ডাঙৰ ডাঙৰ, ৰঙা ৰঙা, বাটে বাটে, ঘৰে ঘৰে, ৰপ্ৰা- বড়া, চকী-বেঞ্চি, হাট-বজাৰ, আইন-আদালত, কৰ্তা-কৰ্তা ইত্যাদি।

(ছ) বিভিন্ন উপভাষাৰ শব্দঃ উজনি অসমৰ উপভাষাৰ ওপৰত ভিত্তি কৰি গঢ়ি উঠা ভাষাটোৱেই বৰ্তমান অসমৰ মান্য-ভাষা (ড° উপেন্দ্ৰ নাথ গোস্বামী - অসমীয়া ভাষা আৰু উপভাষা) ড° গ্ৰীয়াৰ্চনে লিখিছে - "অসমীয়া ভাষাৰ মান্য উপভাষাটো হৈছে শিৱসাগৰ আৰু তাৰ আশে-পাশে কোৱা উপভাষা

দুটা হ'ল উপত্যকাৰ উজনি অঞ্চলত ভাষাটোৰ সবলতা ঠাইত আৰু একেটাই। সিমানে পশ্চিমলৈ গুচি যোৱা সিমানেই এটা দৰ্শ উপভাষা দুই আৰু পশ্চিম-অঞ্চলৰ অসমীয়া নাম দিছোঁ। এই উপভাষাটো কামৰূপ জিলা আৰু পূৰ্ব-গোৱালপাৰাৰ মানুহবোৰে কয়।

অসমীয়া ভাষাক উজনি অঞ্চলৰ ভাষা আৰু নামনি অঞ্চলৰ ভাষা — এই দুই ভাগত ভাগ কৰিব পাৰি। নামনি অঞ্চলৰ ভাষাক আকৌ দুটা ভাগত ভগাব পাৰি — (ক) কামৰূপী উপভাষা আৰু (খ) গোৱালপাৰীয়া উপভাষা।

(ক) কামৰূপী উপভাষাঃ অসমীয়া ভাষাৰ প্ৰধান উপভাষা হৈছে কামৰূপী উপভাষা। উজনি অসমৰ ভাষাৰ লগত ইয়াৰ পাৰ্থক্য সৰ্বাধিক। তলত মান্য ভাষা আৰু কামৰূপী উপভাষাত ব্যৱহৃত কেইটামান শব্দ উল্লেখ কৰা হ'ল —

মান্য অসমীয়া	কামৰূপী উপভাষা
অমিতা	মোদফল/মোইদফল
আইতা	আবু
গাখিৰ	বৰা
চেঁচা	ঠেকি
দৰা	বৰ
ধুনীয়া	শোভা
শিয়ালি	কামি
জোনাকি	ধুমচি ইত্যাদি

(ঘ) গোৱালপৰীয়া দেশী-ভাষাৰ শব্দঃ গোৱালপৰীয়া উপভাষাটোক দুটা প্ৰধান ভাগত বিভক্ত কৰিব পাৰি; পূব অঞ্চলৰ ৰূপ আৰু পশ্চিম আৰু দক্ষিণ-পশ্চিম অঞ্চলৰ ৰূপ। ইয়াৰে পশ্চিম আৰু দক্ষিণ-পশ্চিম অঞ্চলৰ ৰূপটোক গ্ৰীয়াৰ্চনে 'ৰাজবংশী ভাষা' বুলিছে, আনহাতে ড° বীৰেন্দ্ৰ নাথ দত্তই 'দেশীভাষা' বুলিছে। যিকি নহওক গোৱালপৰীয়া বা দেশীভাষা কামৰূপী উপভাষাৰ পাছতেই অসমীয়া ভাষাৰ এটা গুৰুত্বপূৰ্ণ উপভাষা। তলত দেশী ভাষাত সচৰাচৰ ব্যৱহৃত কিছুমান শব্দৰ এখনি তালিকা প্ৰস্তুত কৰা হ'ল :-

(i) জীৱ-জন্তু বিষয়ক শব্দঃ কাছুআ (কেঁচুৱা), গোৰু (গৰু), ঘোড়া (ঘোঁৰা), ছেড়া (ছেৰা-ছাগলী), মৈষ (ম'হ), মানুষ (মানুহ), শিয়াল (শিয়াল), ছাগল (ছাগলী), শুওৰ (গাহৰি) ইত্যাদি

(ii) চৰাই-চিৰিকতি, পোক-পৰুৱা বিষয়ক শব্দঃ ইন্দুৰ (এন্দুৰ), উকুন/উকুনি (ওকনি), কাউআ (কাউৰী), বগা (বগলী), বাদুৰ (বাদুলী), বেঙ (ভেকুলী), সাপ (সাপ), টিআ (ভাটৌ) ইত্যাদি।

(iii) গছ-গছনি, ফল-মূল, শাক-পাচলি বুজোৱা শব্দঃ আমৰা (আমৰা), কামৰাঙা (কৰ্দৈ), গুআ (তামোল), বাইগন (বেঙেনা), মৰিচ (জলকীয়া) ইত্যাদি।

(iv) মাছ-কাছ ইত্যাদি বিষয়ক শব্দঃ আইৰ (আৰী মাছ), ইচলা মাছ (মিচা মাছ), কৈ (কাৱৈ), গৰাই (গৰৈ), ৰুই (ৰৌ), পানিমাছ (কাছ) ইত্যাদি।

(v) অঙ্গ-প্ৰত্যঙ্গ বুজোৱা শব্দ: কোমৰ (কঁকাল), গলা (ডিঙি) চোখ (চকু), ঠেঙ (ভৰি), ঠোট (ওঁঠ), মাথা (মূৰ), হাঁটু/হাটু (আঁঠু) ইত্যাদি।

(vi) সম্বন্ধবাচক শব্দ: কাকা (খুৰা), দাদা (ককাই), দিদি (বাইদেউ), পিসা (পেহা), পিসি (পেহী), বাপ/বাবা (দেউতা), বুড়া বাপ (ককাদেউতা), বেন/বোনি (ভনী), বৌদি (নবৌ), ভাতাৰ / স্বামী (গিৰিয়েক) ইত্যাদি।

(vii) খানি-খোৱাৰ, বাচন-বৰ্তন ইত্যাদি বুজোৱা শব্দ: কৰাই (কেৰাহি), কোলসি (কলহ), গামছা (গামোছা), গিলাস (গিলাচ), ঘোটি (ঘটি), ভাণ্ডা (বাচন), শাৰি (শাৰী), শিল-পাটা (শিল-পাটা) হাতা (হেতা) ইত্যাদি।

(viii) বিবিধ শব্দ: আগুন (জুই), আংটি (আঙুঠি), আণ্ডা (আণ্ডা), [illegible] (পেহৰ), ডিমা (কণী), মাহুত (মাউত), শিত (নিয়ৰ), শেফালি (শেৱালী ফুল), হৰিকন (লেম্প) নিন/নিন্দ (টোপনি), নুন (নিমখ), নৌকি (নৌ), পুকুৰ (পুখুৰী) [illegible] (মুহুৰখীয়া), বাঙাল (গৰখীয়া), কাকে (মাছী) ইত্যাদি।

এনেদৰে অৰ্থ, অৰ্থভিন্ন, দেশী-বিদেশী আৰু অনুবাদ উপাদানৰ শব্দবলীৰে সমৃদ্ধ অসমীয়া ভাষাৰ শব্দভাণ্ডাৰ সমৃদ্ধিশালী হৈ উঠিছে।